Total No. of Printed Pages—3

## 3 SEM TDC ASMH (CBCS) C 6

**2023**

( Nov/Dec )

# ASSAMESE

( Core )

Paper : C–6

**( অসমীয়া কবিতাৰ চানেকি )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) অসমীয়া কবিতাৰ লিখিত ৰূপৰ নিদৰ্শন প্ৰথমে ক'ত পোৱা গৈছিল?

(খ) বিহুনাম, বিয়ানাম, আইনাম আদি কোন শ্ৰেণীৰ কবিতা?

(গ) 'জিকিৰ' শব্দটো কোন ভাষাৰ, কি শব্দৰ পৰা অহা বুলি কোৱা হয়?

(ঘ) আজান ফকীৰৰ আচল নাম কি আছিল?

(ঙ) 'নাহৰৰ মালিতা' কোন শ্ৰেণীৰ কবিতা?

(চ) 'চৰ্যাগীতিকোষ' নামৰ গ্ৰন্থখন নেপাল ৰাজদৰবাৰ গ্ৰন্থাগাৰৰ পৰা কোনে উদ্ধাৰ কৰি আনিছিল?

(ছ) 'ঊষা পৰিণয়' কাব্যৰ ৰচক কোন?

(জ) যাজ্ঞসেনী কোন?

২। (ক) অসমীয়া কবিতাৰ উদ্ভৱ আৰু বিকাশৰ এক সংক্ষিপ্ত ইতিহাস দাঙি ধৰা। ১৫

*অথবা*

(খ) অসমীয়া কবিতাৰ ইতিহাসক কেইটা স্তৰত ভাগ কৰিব পাৰি? তাৰে যি কোনো এটা স্তৰৰ কবিতা সম্পৰ্কে আলোচনা কৰা। ১+১৪=১৫

৩। (ক) অসমীয়া লোককবিতাৰ ক্ষেত্ৰখন অতি প্ৰাচুৰ্যপূৰ্ণ —এই কথাৰ আঁতধৰি অসমীয়া লোককবিতাৰ এটি পৰিচয়জ্ঞাপক আলোচনা দাঙি ধৰা। ১৪

*অথবা*

(খ) কবিজনাৰ চমু পৰিচয় দাঙি ধৰি তোমাৰ পাঠ্য জিকিৰটিৰ মূল ভাব লিখা। ৫+৯=১৪

৪। (ক) চৰ্যাপদসমূহক কি বোলা হয়? চৰ্যাপদৰ লগত অসমীয়া কবিতাৰ সম্পৰ্ক বিষয়ত এটি টোকা লিখা। ১+৯=১০

*অথবা*

(খ) তোমাৰ পাঠ্য চৰ্যাপদটিৰ ভাবাৰ্থ লিখা। ১০





৫। (ক) মাধৱ কন্দলিৰ চমু পৰিচয় দাঙি ধৰি পাঠ্য অংশটিৰ বিষয়বস্তুৰ আভাস আগবঢ়োৱা। ৬+৯=১৫

*অথবা*

(খ) কবি-পৰিচয় আগবঢ়াই 'নামঘোষা'ৰ পৰা উদ্ধৃত কৰা তোমাৰ পাঠ্য কবিতাটিৰ ভাবাৰ্থ বৰ্ণনা কৰা। ১৫

৬। (ক) ৰোমান্টিক কবিতাৰ বৈশিষ্ট্য উল্লেখ কৰি 'মাধুৰী' কবিতাটোৰ কাব্যিক সৌন্দৰ্য বিষয়ত এক আলোচনা দাঙি ধৰা। ৫+১০=১৫

*অথবা*

(খ) "'চুলি নাবান্ধিবা যাজ্ঞসেনী' কবিতাটোৰ জৰিয়তে নাৰীৰ মৰ্যাদাবোধ আৰু অস্তিত্ব ৰক্ষাৰ এক বৈপ্লৱিক চেতনাৰ প্ৰকাশ পাইছে।" কথাষাৰৰ আঁতধৰি কবিতাটোৰ বিশ্লেষণ আগবঢ়োৱা। ১৫

৭। চমুকৈ লিখা (যি কোনো এটা) : ৩

(ক) মালিতা

(খ) বৰগীত

(গ) আধুনিক অসমীয়া কবিতা

★★★

Total No. of Printed Pages—3

# 3 SEM TDC ASMH (CBCS) C 5

## 2023

( Nov/Dec )

## ASSAMESE

( Core )

Paper : C–5

( সাহিত্য সমালোচনা )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) প্ৰাচ্য আৰু পাশ্চাত্যৰ সমালোচকৰ সংজ্ঞাৰ আধাৰত সাহিত্যৰ স্বৰূপ নিৰ্ণয় কৰাঁ। ১৫

*অথবা*

(খ) সাহিত্যৰ শ্ৰেণীবিভাজনৰ বিষয়ে এটি আলোচনা যুগুত কৰাঁ।

২। (ক) সমালোচকৰ প্ৰয়োজনীয় গুণসমূহৰ বিষয়ে আলোচনা কৰাঁ। ১৪

অথবা

(খ) ঐতিহাসিক আৰু তুলনামূলক সমালোচনা পদ্ধতিৰ বিষয়ে আলোচনা কৰাঁ। ৭+৭=১৪

৩। (ক) কবিতাৰ যি কোনো চাৰিটা সংজ্ঞা দাঙি ধৰি কবিতাৰ স্বৰূপ নিৰ্ণয় কৰাঁ। ১৫

অথবা

(খ) নাটকৰ উপাদানসমূহৰ বিষয়ে আলোচনা কৰাঁ।

৪। (ক) চুটিগল্প আৰু উপন্যাসৰ মাজত পাৰ্থক্য বিচাৰ কৰাঁ। চুটিগল্পৰ বৈশিষ্ট্য সম্বন্ধে আলোচনা কৰাঁ। ৭+৭=১৪

অথবা

(খ) উপন্যাসৰ কাহিনী আৰু চৰিত্ৰৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। ৭+৭=১৪

৫। যি কোনো **দুটাৰ** বিষয়ে চমু টোকা লিখাঁ : ৭×২=১৪

(ক) একাংকিকা

(খ) লঘুৰচনা

(গ) চুটিগল্পৰ চৰিত্ৰ

(ঘ) নাটকৰ পঞ্চসন্ধি





৬। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) ''বাক্যং ৰসাত্মকং কাব্যম্'' সংজ্ঞাটো কাৰ?

(খ) ''কবিতা কল্পনাময়ী কবিৰ বাঞ্চিত'' কথাষাৰ কোনে কৈছিল?

(গ) মালিতা বা কাহিনীগীতৰ ইংৰাজী প্ৰতিশব্দ কি?

(ঘ) ''অৱস্থাৰ অনুকৰণেই নাটক'' সংজ্ঞাটো কাৰ?

(ঙ) সমালোচনাক কোনে সাহিত্যৰ তুলাচনী বুলিছিল?

(চ) *An Introduction to the Study of Literature*-ৰ ৰচক কোন?

(ছ) মেৰিয়ন ক্ৰয়'ৰ্ডে উপন্যাসৰ কি নাম দিছিল?

(জ) কণিকা সাহিত্যৰ ভিতৰুৱা এবিধ সাহিত্যৰ নাম লিখাঁ।

★ ★ ★